# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-JAN-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

১। ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে ছুইজাৰলেণ্ডত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক জুৰিখ বিমানবন্দৰত প্ৰবাসী ভাৰতীয়ৰ আদৰণি।
২। ৬ ফেব্ৰুৱাৰীত গুৱাহাটীত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ পুঁজি বিতৰণৰ আৰম্ভণি।
৩। জুবিন গাৰ্গ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ বাবে শিখা শৰ্মা নামৰ এগৰাকী মহিলাক আৰক্ষীৰ আটক।

**আৰু**

৪। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৰ আজি ধেমাজিত কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি।

ooooo

ছুইজাৰলেণ্ডৰ ডাভ'ছত আজিৰে পৰা অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি দেশখনলৈ গৈছে। মুখ্যমন্ত্ৰীক জুৰিখ বিমানবন্দৰত দেশখনত থকা প্ৰবাসী ভাৰতীয়সকলে আন্তৰিকতাৰে আদৰণি জনায়। ড০ শৰ্মাই জুৰিখত ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান চন্মুগৰত্নমক সাক্ষাৎ কৰি ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে মত বিনিময় কৰে। তেওঁ অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু, কেন্দ্ৰীয় মন্ত্ৰী ৰামমোহন নাইডু আৰু বিশ্ববেংকৰ অধ্যক্ষ অজয় বাংগাকো সাক্ষাৎ কৰে। অসমৰ প্ৰতিনিধি হিচাপে মুখ্যমন্ত্ৰী ড০ শৰ্মাই সন্মিলনত অংশগ্ৰহণৰ সুযোগ লাভ কৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে।

এই সন্মিলনত ভাৰতৰ কেইবাখনো আগশাৰীৰ ৰাজ্যৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰিছে। ডাভ'ছত বিশ্বৰ উদ্যোগপতি, অৰ্থনীতিবিদ, বহুজাতিক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া, বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ব বাণিজ্য সংস্থাৰ মুৰব্বীসকলৰ লগত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত অসমক প্ৰতিনিধিত্ব কৰা মুখ্যমন্ত্ৰী ড০ শৰ্মা হৈছে প্ৰথমগৰাকী অসমীয়া। এই ফ'ৰামত অংশগ্ৰহণৰ জৰিয়তে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগ আকৰ্ষণ কৰা, স্থায়ী উন্নয়ন আৰু প্ৰযুক্তিগত উদ্ভাৱনত ৰাজ্যখনক আগশাৰীলৈ লৈ যোৱাৰ দিশত সহায়ক হ'ব। মুখ্যমন্ত্ৰীয়ে এই ফ'ৰামত কমেও ১৭ খন বৈঠকত অংশ লোৱাৰ লগতে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ কথা। সন্মিলনৰ ৫৬ সংখ্যক এই বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰাৰ কথা আছে। অহা ২৩ জানুৱাৰীত সন্মিলনৰ সামৰণি পৰিব।

ooooo

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ পুঁজি বিতৰণ অহা ৬ ফেব্ৰুৱাৰীত গুৱাহাটীত আৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে এই আঁচনিৰ অধীনত ৰাজ্যৰ ৭৫ হাজাৰ যুৱকে আত্মসংস্থাপনৰ বাবে ২ লাখ টকাকৈ লাভ কৰিব। সমগ্ৰ ৰাজ্যত ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত এই আঁচনিৰ পুঁজি বিতৰণ সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ কয়।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত শিখা শৰ্মা নামৰ এগৰাকী মহিলাৰ বিৰুদ্ধে শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গে পাণবজাৰ থানাত এজাহাৰ দাখিল কৰিছে। মহিলাগৰাকীয়ে দীৰ্ঘদিন

ধৰি জুবিন গাৰ্গ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক কথা লিখি আহিছিল। ইতিমধ্যে গৰিমা শইকীয়া গাৰ্গৰ এজাহাৰৰ ভিত্তিত পাণবজাৰ আৰক্ষীয়ে ইতিমধ্যে মহিলাগৰাকীক আটক কৰিছে। গুৱাহাটীৰ পাথৰকুৱেৰীৰ নিলাচল এপাৰ্টমেণ্টৰ পৰা আৰক্ষীয়ে তেওঁক আটক কৰে। আৰক্ষীয়ে বিতৰ্কিত মহিলাগৰাকীক আটক কৰাৰ পাছত গৰিমা শইকীয়া গাৰ্গে সামাজিক মাধ্যমযোগে অসম আৰক্ষীক ধন্যবাদ জনাইছে।

ইপিনে জুবিন গাৰ্গ ফেন ক্লাবৰ সদস্যসকলেও ৰাজ্যৰ বিভিন্ন আৰক্ষী থানাত শিখা শৰ্মা নামৰ মহিলাগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। পাঠশালা জুবিন গাৰ্গ ফেন ক্লাবে পাঠশালা থানাত এজাহাৰ দাখিল কৰি শিখা শৰ্মাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনোৱাৰ লগতে জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত কোনো যাতে সাৰি যাব নোৱাৰে তাৰো দাবী জনাইছে।

০০০০০

মন্ত্ৰী তথা স্থানীয় বিধায়ক বিমল বৰাই আজি ডিব্ৰুগড়ৰ দিল্লীবাৰী চপাতলি গাঁও পঞ্চায়তৰ অন্তৰ্গত বচাগাঁও আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে দিল্লীবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰে প্ৰদান কৰা চাইকেলসমূহ বিতৰণ কৰে। এই কাৰ্যসূচীত বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু ভালেসংখ্যক স্থানীয় লোক উপস্থিত থাকে।

০০০০০

ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ উপলক্ষে যোৰহাট জিলা পৰিবহণ বিভাগৰ উদ্যোগত আজি যোৰহাটত এটা মটৰচাইকেল আৰু কাৰ ৰেলী উলিওৱা হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা উলিওৱা এই সমদলটো যোৰহাট জিলা আয়ুক্তই শুভাৰম্ভ কৰে। এই সমদলত শতাধিক লোকে অংশগ্ৰহণ কৰে।

০০০০০

ৰাজ্যৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাত কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে গোগামুখৰ মইনাপাৰাত আয়োজিত এটা অনুষ্ঠানত লোক নিৰ্মাণ বিভাগে নিৰ্মাণ কৰা চাৰিটা পথ ৰাইজলৈ উৎসৰ্গা কৰে। মুখ্যমন্ত্ৰী পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত চাৰি কোটিৰো অধিক টকা ব্যয় সাপেক্ষ মইনাপাৰাৰ পৰা দীঘলী পথাৰ অভিমুখী পথ, চুতিয়াপাৰাৰ পৰা দক্ষিণ নলবাৰী এল পি স্কুল, চেতিয়াগাঁও তিনিআলিৰ পৰা আয়াং তিনিআলি আৰু বাড়ুলুকাৰ পৰা কমাৰচলালৈ যোৱা চাৰিটা পথ মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে টাইকোৱানডো সংস্থাৰ অধীনত ধেমাজি টাইকোৱানডো একাডেমীয়ে আয়োজন কৰা টাইকোৱানডো প্ৰতিযোগিতা উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে খেলুৱৈসকলক উৎসাহ যোগোৱাৰ লগতে এই প্ৰতিযোগিতাৰ পৰাই ৰাজ্য তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ ওলাব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যৰ ৭ খন জিলাৰ ৪ শতাধিক প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাত অংশ লৈছে। ডাঃ পেগুৱে অসম ফুটবল সন্থাৰ আমন্ত্ৰণমৰ্মে ২১ জানুৱাৰীৰ পৰা ৮ ফেব্ৰুৱাৰীলৈ জিলাখনত হ'বলগীয়া সন্তোষ ট্ৰফীৰ মূল ৰাউণ্ডৰ খেলসমূহৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ ছেমি ফাইনেল আৰু ফাইনেল খেলৰ বাবে সাজু কৰা জিলাখনৰ দেউৰী বিলৰ নিৰ্মিয়মান ক্ৰীড়া প্ৰকল্প পৰিদৰ্শন কৰে। ১২ টা দলে অংশ ল'বলগীয়া এই প্ৰতিযোগিতাৰ উদ্বোধনী খেলত চিলাপথাৰ ষ্টেডিয়ামত ঘৰুৱা দল অসম তামিলনাডুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰকল্প পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

**-বাইট (ৰণোজ পেগু)-**

০০০০০

ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া তথা গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তক আজি অসম বিশ্ববিদ্যালয়ৰ ২৩ সংখ্যক সমাৱৰ্তনত ডি-লিট সন্মান প্ৰদান কৰা হয়। ১৯৯৯ বেট্‌ছৰ আই পি এছ বিষয়া শ্ৰীমহন্ত এই সন্মান লাভ কৰা প্ৰথমগৰাকী আৰক্ষী বিষয়া হিচাপে পৰিগণিত হৈছে। বেলুৰ মঠৰ ৰামকৃষ্ণ মিচন বিবেকানন্দ এডুকেচন এণ্ড ৰিচাৰ্চ ইন্সটিটিউটৰ সম-উপাচাৰ্য্য আত্মপ্ৰিয়নন্দে তেওঁক এই সন্মান প্ৰদান কৰে। অনুষ্ঠানত অসম

বিশ্ববিদ্যালয়ৰ অধ্যক্ষ অৰূপ ৰাহা আৰু উপাচাৰ্য্য ৰাজীৱ মোহন পন্থ উপস্থিত থাকে। এই সন্মান লাভ কৰি আৰক্ষী বিষয়াগৰাকীয়ে এইদৰে কয়-

**-বাইট-**

উল্লেখযোগ্য যে, এই সমাৱৰ্তন অনুষ্ঠানত ১৩ হাজাৰ ৬৬৬ গৰাকী ছাত্ৰ-ছাত্ৰীক বিভিন্ন বিষয়ত ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০

মাজুলী জিলা কৃষি বিভাগৰ অধীনৰ জিলা কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা চমুকৈ **আটমা**ৰ উদ্যোগত কাইলৈৰ পৰা দুদিনীয়াকৈ গড়মূৰ সত্ৰ বংশীগোপাল নাট্য মন্দিৰ প্ৰাংগণত এখন কৃষক মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত বিভিন্ন কৃষিজাত সামগ্ৰী আৰু কৃষি সঁজুলী প্ৰদৰ্শন কৰা হ'ব। তদুপৰি কৃষক আৰু কৃষি বিজ্ঞানীৰ মাজত মত বিনিময় আৰু প্ৰশিক্ষণ আদি কাৰ্যসূচীও অনুষ্ঠিত হ'ব।

০০০০০

মাজুলীৰ ভকতচাপৰিবাসীৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ বাবে জলসম্পদ বিভাগে ভকতচাপৰি আলিমূৰৰ মূল সুঁতি বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই উপলক্ষে আজি অনুষ্ঠিত কাৰ্যসূচীত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামী, বিধায়ক ভূবন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু জলসম্পদ বিভাগৰ অভিযন্তাৰ লগতে অঞ্চলটোৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে এই সুঁতি বন্ধ কৰি দিয়াৰ ফলত অঞ্চলটোৰ ১৬ খন গাঁৱৰ লোক উপকৃত হ'ব। এই সুঁতিটোৱে আউনীআটী সত্ৰৰ লগতে সমগ্ৰ নামনি মাজুলীলৈ খহনীয়াৰে ভাবুকি কঢ়িয়াই আনিছিল। আউনীআটী সত্ৰৰ সত্ৰাধিকাৰগৰাকীয়ে দীৰ্ঘদিন ধৰি এই সুঁতিটো বন্ধ কৰাৰ বাবে জলসম্পদ বিভাগক দাবী জনাই আহিছিল।

০০০০০

সমাপ্ত